# অসম জাতীয় বিদ্যালয়
**Assam Jatiya Bidyalay**

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/০৭/২০২৩-২৪
*Ref :*

তাৰিখ : ১২-০৮-২০২৩
*Date :*

## অসম জাতীয় বিদ্যালয়ত সদৌ অসমভিত্তিত বিজ্ঞান প্ৰদৰ্শনী-প্ৰতিযোগিতা

**নুনমাটি, গুৱাহাটী, ১২ আগষ্ট ঃ** অসম জাতীয় বিদ্যালয়ত আজি সদৌ অসমভিত্তিত এখন বিজ্ঞান প্ৰদৰ্শনী আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় বিজ্ঞান দিৱস (২৮ ফেব্ৰুৱাৰী) উদ্‌যাপনৰ অংশ হিচাপে বিগত বৰ্ষবোৰৰ দৰে এই বছৰো অষ্টম, নৱম, দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত সদৌ অসমভিত্তিত আৰু অসম জাতীয় বিদ্যালয়ৰ পঞ্চমৰ পৰা দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞানৰ আৰ্হি, পৰীক্ষা আৰু প্ৰকল্প শিতানত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰদৰ্শনী তথা প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে মুকলি কৰে কটন বিশ্ববিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা বিশিষ্ট বিজ্ঞান লেখক ড° পৰন চহৰীয়াই। ভাষণ প্ৰসংগত ড° চহৰীয়াই প্ৰতিটো দিনেই বিজ্ঞানৰ দিন বুলি অভিহিত কৰি বিজ্ঞান অবিহনে আমাৰ দৈনন্দিন জীৱন যাত্ৰা অচল বুলি মন্তব্য কৰে। শিক্ষাৰ্থীসকলক বিজ্ঞান মনস্কতাৰ অধিকাৰী হ'বলৈ আহ্বান জনাই শিক্ষাবিদগৰাকীয়ে শিক্ষাৰ্থীসকলে প্ৰস্তুত কৰি উলিওৱা প্ৰদৰ্শনীখন পৰিদৰ্শন কৰি সকলোকে উৎসাহিত কৰে। আজিৰ প্ৰতিযোগিতাত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ ৩১খন বিদ্যালয়ৰ ১৯৭ গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

ৰাজ্যিকভিত্তিত অনুষ্ঠিত আজিৰ এই প্ৰতিযোগিতাৰ বিজ্ঞান আৰ্হি শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ নৱোৎপল শৰ্মা আৰু গীতাৰ্থ বৰ্মনে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে বিশ্বনাথ জিলাৰ যাদৱ গোস্বামী জাতীয় বিদ্যালয়, বৰঙাবাৰীৰ ঋতুস্মিন ভট্টাচাৰ্য্য আৰু শশাংক নয়ন শৰ্মাই। তৃতীয় পুৰস্কাৰ লাভ কৰে নাৰেংগী উচ্চ বিদ্যালয়ৰ নগদ্বীপ অধিকাৰী আৰু প্ৰাঞ্জল বড়ো আৰু ৰাজ দাসে। বিজ্ঞান প্ৰকল্প শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰে দৰং জিলাৰ জাতীয় বিদ্যালয় অসম, হাজৰিকাপাৰাৰ পৰিণীতা চহৰীয়া, দীক্ষিতা বৰুৱা আৰু জিজ্ঞাস শৰ্মাই। দ্বিতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অৰ্ণৱজ্যোতি ৰাজবংশী, তন্ময় দাস আৰু বিভাষ তালুকদাৰে। তৃতীয় পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ অভিলেষ মেধি, বিশাল চৌধুৰী আৰু আদিত্য কাশ্যপে। আনহাতে বিজ্ঞান পৰীক্ষা শিতানত প্ৰথম পুৰস্কাৰ লাভ কৰে অসম জাতীয় বিদ্যালয়, নুনমাটিৰ খ্যাতি তৃষ্ণা দেৱী, জিয়া ভাৰ্গৱ আৰু কুঁৱলী বৰ্মনে। দ্বিতীয় পুৰস্কাৰ লাভ কৰে নুনমাটি পাব্লিক স্কুলৰ অগস্ত্য আৰ অঞ্জন, নাজমা ইছলাম আৰু ৰেহান আনচাৰীয়ে। তৃতীয় পুৰস্কাৰ লাভ কৰে গোলাঘাট জিলাৰ বোকাখাত জাতীয় বিদ্যালয়ৰ চয়নিকা বৰা আৰু জুৰি হাজৰিকাই। এই প্ৰতিযোগিতাত বিচাৰক হিচাপে উপস্থিত আছিল নলবাৰীৰ মিলন হায়াৰ ছেকেণ্ডাৰী স্কুলৰ সহকাৰী শিক্ষয়িত্ৰী কাবেৰী বৰঠাকুৰ, গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ একাডেমীৰ শিক্ষক নজৰুল ইছলাম আৰু নলবাৰী জিলাৰ ৰাজ কদমতল বালিকা বিদ্যাপীঠ হাইস্কুলৰ শিক্ষয়িত্ৰী চন্দ্ৰামিতা শৰ্মা। আজিৰ এই অনুষ্ঠানতে বিদ্যালয়ৰ বিজ্ঞান বিষয়ৰ বছৰেকীয়া আলোচনী 'প্ৰভাত' উন্মোচন কৰে মুখ্য অতিথি ড° পৰন চহৰীয়াই। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে শিক্ষাৰ্থীসকলক উদ্দেশ্যি দিয়া ভাষণত শিক্ষাৰ্থীসকলৰ আগ্ৰহ আৰু সঁহাৰিয়ে প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰে বুলি মন্তব্য আগবঢ়ায়। অনুষ্ঠানটোৰ আঁত ধৰে বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী অপৰ্ণা দেৱী, বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষয়িত্ৰী উদয়া ফুকন আৰু বিজ্ঞান বিভাগৰ শিক্ষক মিথুন ডেকাই। অনুষ্ঠানৰ শেষত শলাগৰ শৰাই আগবঢ়ায় বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী বনানী ডেকাই। সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়কৰ দায়িত্বত আছিল বিজ্ঞান বিভাগৰ শিক্ষয়িত্ৰী ৰাণু বুজৰবৰুৱা।

ঘনশ্যাম মেধি

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☎: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :* AJB/009/07/2023-24

তাৰিখ :
*Date :* 12.08.2023

# All Assam Science Exhibition cum Competition at Assam Jatiya Bidyalay, Noonmati

**Noonmati, Guwahati, 12 August, 2023 :** An All Assam Science Exhibition cum Competition took place today at Assam Jatiya Bidyalay, Noonmati. In accordance with National Science Day (28 February), a competition was held among the students of class VIII, IX and X of different schools of Assam. Also, a competition took place among the students of class V-X of Assam Jatiya Bidyalay, Noonmati. The event was inaugurated by Dr. Paban Saharia, retired Professor of Cotton University. A total of 197 students of 31 different schools participated in this competition.

In the competition of the category of Science Model, Nabotpal Sarma and Gitartha Barman of Assam Jatiya Bidyalay, Noonmati secured the first position. Ritusmin Bhattacharya and Sashanka Nayan of Jadav Goswami Jatiya Bidyalay, Biswanath District, secured the second position. Nagadweep Adhikari, Pranjal Bodo and Raj Das of Narengi High School secured the third position. In the competition of the category of Science Project, Parinita Saharia, Dikshita Baruah and Jigyash Sarma of Jatiya Bidyalay Assam, Hazarikapara, Darrang District secured the first position. Arnabjyoti Rajbongshi, Tanmoy Das and Bibhash Talukdar of Assam Jatiya Bidyalay, Noonmati secured the second position. Abhilesh Medhi, Bishal Choudhury and Aditya Kashyap of Assam Jatiya Bidyalay, Noonmati secured the third position. In the competition of the category of Science Experiment, Khyati Trishna Devi, Jiya Bhargab and Kunwali Barman of Assam Jatiya Bidyalay, Noonmati secured the first prize, Agastya R. Anjan, Nazma Islam and Rohan Angsari secured the second prize. Chayanika Bora and Juri Hazarika of Bokaghat Jatiya Bidyalay, Golaghat District secured the third prize.

The panel of judges included Kaberi Borthakur, Asst. Teacher of Milan Higher Secondary School, Nalbari District; Nazrul Islam, Teacher of Shrimanta Shankardev Academy, Guwahati and Chandamita Sarma, Academic Coordinator of National Children's Science Congress, Nalbari chapter. Furthermore, the annual science magazine of the school, 'Prabhat' was inaugurated by the chief guest Dr. Paban Saharia.

Ghanashyam Medhi

(Ghanashyam Medhi)
Pricipal
Assam Jatiya Bidyalay